# 2019

## ELECTIVE ASSAMESE

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) অসমীয়া ভাষাৰ উদ্ভৱ কামৰূপী প্ৰাকৃতৰ পৰা হৈছে বুলি মত দাঙি ধৰা এগৰাকী ভাষাবিদৰ নাম লিখা।

(খ) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ প্ৰধান ভাগ দুটাৰ কথা কোনগৰাকী পণ্ডিতে প্ৰথমে উল্লেখ কৰিছিল?

(গ) পাণিনিয়ে ৰচনা কৰা ব্যাকৰণখনৰ নাম কি?

(ঘ) প্ৰাকৃত ভাষাৰ যি কোনো এটা বৈশিষ্ট্য লিখা।

(ঙ) অষ্ট্ৰিক ভাষাগোষ্ঠীৰ প্ৰধান শাখা কেইটা?

(চ) অসমীয়া ভাষাৰ যি কোনো এটা নৃ-গোষ্ঠীয় উপভাষাৰ নাম লিখা।

(ছ) 'আদালত' আৰু 'মোকৰ্দমা'— এই দুটা শব্দ অসমীয়া ভাষালৈ কোন ভাষাৰ পৰা আহিছে?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ভাৰতীয় আৰ্যভাষাৰ স্তৰ তিনিটা কি কি ?

(খ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা দুটা তদ্ভৱ শব্দ উল্লেখ কৰা।

(গ) কোনগৰাকী ভাষাবিদে, কোন চনত বঙ্গদেশৰ এছিয়াটিক ছোছাইটিত দিয়া ভাষণত গ্ৰীক আৰু লেটিনৰ সংস্কৃতৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্ক আছে বুলি উল্লেখ কৰিছিল ?

(ঘ) নাগামিজ ভাষা বুলিলে কি বুজা ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত শাখাকেইটাৰ বিষয়ে চমুকৈ লিখা।

(খ) অসমীয়া আৰু উড়িয়া ভাষাৰ মাজত থকা ৰূপগত বৈসাদৃশ্যৰ বিষয়ে উদাহৰণসহ বিশ্লেষণ দাঙি ধৰা।

(গ) উপভাষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি টোকা লিখা।

(ঘ) অসমীয়া ভাষালৈ বড়ো ভাষাৰ অৱদানৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।

(ঙ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ভাষাগত বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।





৪। (ক) ভাৰত-ইউৰোপীয় ভাষা-পৰিয়ালৰ বিষয়ে চমুকৈ লিখি এই ভাষা-পৰিয়ালটিৰ আদিম বাসস্থান সম্পৰ্কে এটি অভিমত যুগুত কৰা। ১০

*অথবা*

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষাই কিদৰে বিকাশ হৈছিল, উদাহৰণসহ এটি আলোচনা আগবঢ়োৱা।

৫। (ক) অসমীয়া ভাষাৰ জন্ম সম্পৰ্কীয় মতবোৰ উল্লেখ কৰি তুমি সমৰ্থন কৰা মতটোৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

(খ) অসমত প্ৰচলিত আৰ্য-ভিন্ন ভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰা।

৬। (ক) অসমীয়া ভাষাৰ যি কোনো এটা উপভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দগত বৈশিষ্ট্যৰ বিষয়ে লিখি এটা প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) কোন কোন উৎসৰ পৰা আহি অসমীয়া শব্দভাণ্ডাৰ সমৃদ্ধ হৈছে, উদাহৰণসহ আলোচনা কৰা।

★★★